# অসম বিধান সভা
## তৰাচিহ্নিত প্ৰশ্ন নং - ১৩৮
## উত্তৰ দানৰ তাৰিখ-১৪/৭/২০২৬

**বিষয় : পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ পাৰ পৰ্য্যটন কেন্দ্ৰ ৰূপে গঢ়াৰ সম্পৰ্কে ।**

**শ্ৰী হিমাংশু শেখৰ বৈশ্য, বিধায়ক**

**::প্ৰশ্ন::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত পলাশবাৰীৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত গুৱাহাটীৰ নিচিনাকৈ পৰ্য্যটন কেন্দ্ৰ বিন্দুলৈ ৰূপান্তৰ কৰিবৰ বাবে উপযুক্ত স্থান । উক্ত স্থান পৰ্য্যটন স্থলী হিচাপে গঢ়ি তুলিবলৈ বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে? যদি কৰে, সদনত জনাব ।

(খ) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ দাঁতিত লাগি থকা দখলা পাহাৰত এটি দৰ্শনস্থলী (View Point)আছে । বিভাগে উক্ত স্থানত এটি পৰ্য্যটন স্থল হিচাপে গঢ়ি তুলিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিব? সদনত সবিশেষ জনাব ।

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:-**

(ক) পৰ্য্যটন বিভাগ, অসম চৰকাৰে বৰ্তমানলৈকে পলাশবাৰী সমষ্টিৰ অন্তৰ্গত পলাশবাৰীৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰ পৰ্যটন কেন্দ্ৰ বিন্দু হিচাপে গঢ়ি তুলিবলৈ কোনো বিশেষ আঁচনি বা পৰিকল্পনা গ্ৰহণ কৰা নাই যদিও ভৱিষ্যতে পুঁজিৰ উপলব্ধতা সাপেক্ষে বিবেচনা কৰিব পৰা যাব।

(খ) উক্ত বিষয় সন্দৰ্ভত ভৱিষ্যতে পুঁজিৰ উপলব্ধতা সাপেক্ষে প্ৰস্তাৱিত পৰ্যটন স্থলৰ বিষয়ে বিবেচনা কৰিব পৰা যাব।

**********

The reply has been submitted in the NeVA Portal of Assam Legislative Assembly.